# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2026
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাজ্যৰ আসন্ন বিধান সভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰৰ অন্তিম দিনা ৬৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহ্বাৰ।

২। বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৩। বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ছুইপ কাৰ্যসূচী।

৪। ৰাজ্যত আই ভি এফ পদ্ধতিৰে প্ৰথমবাৰৰ বাবে গীৰ গাইৰ পোৱালি জন্ম।

**আৰু**

৫। খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া মহোৎসৱত অসমৰ মনিখা সোণোৱালৰ সোনৰ পদক অৰ্জন।

০০০০০০০

ৰাজ্যৰ আসন্ন বিধান সভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰৰ কালি অন্তিম দিনা ৬৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহ্বাৰ কৰে। ইয়াৰ লগে লগে এইবাৰৰ নিৰ্বাচনত মুঠ ৭২২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হোৱাটো নিশ্চিত হয়। ইয়াৰ পূৰ্বে মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল।

চি পি আইয়ে **শিৱসাগৰ** বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়ন প্ৰত্যাহাৰ কৰিছে। সমষ্টিটোৰ বাবে চি পি আইৰ হৈ মদন বৰুৱাই মনোনয়ন দাখিল কৰিছিল। কালি বিয়লি এখন সংবাদমেল যোগে এই কথা প্ৰকাশ কৰি দলটোৱে শিৱসাগৰত বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী অখিল গগৈলৈ সমৰ্থন আগবঢ়াব বুলি স্পষ্ট কৰে। **বজালী** জিলাৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত সমষ্টিটোত এতিয়া মুঠ ৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। **চিৰাং** জিলাত ৪ জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। মনোনয়ন প্ৰত্যাহাৰ কৰা আটাইকেইগৰাকী প্ৰাৰ্থী বিজনী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী আছিল বুলি আমাৰ সংবাদদাতাই জনাইছে। সমষ্টিটোত মুঠ ১৭ গৰাকীয়ে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। **নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ ভিতৰত ধিং বিধানসভা সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। **কামৰূপ** মহানগৰ জিলাৰ ডিমৰীয়া সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। জিলাখনৰ ৫টা সমষ্টিত মুঠ ২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। **শ্ৰীভূমি** জিলাত কালি ৮ গৰাকী

প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। **বিশ্বনাথ** জিলাৰ তিনিওটা বিধানসভা সমষ্টিতে এগৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিছে।

ইপিনে, বিধি বলৱৎকাৰী সংস্থাসমূহে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান তীব্ৰতৰ কৰি তুলিছে। এই সংস্থাসমূহে ১৫ৰ পৰা ২৬ মাৰ্চলৈ চলোৱা অভিযানত নগদ ধন, সুৰা, মাদক দ্ৰব্য আৰু মূল্যৱান ধাতুসহ ৩৭ কোটিৰো অধিক টকা মূল্যৰ সামগ্ৰী জব্দ কৰিছে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিহপুৰীয়া, ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিত বিজেপি প্ৰাৰ্থী তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। তেওঁ লগতে লখিমপুৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰোড শ্ব'ত ভাগ ল'ব। ড° শৰ্মাই কালি সৰ্থেবাৰী, বজালী আৰু মঙলদৈত প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে কালি যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। ডিব্ৰুগড়ৰ খোৱাং সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে কালি প্ৰচাৰ চলায়। ধেমাজিত কংগ্ৰেছ প্ৰাৰ্থী শৈলেন সোণোৱালে অসম জাতীয় পৰিষদৰ চিত্তৰঞ্জন বসুমতাৰীৰ সৈতে এটা ৰোড শ্বত অংশ লয়।

উল্লেখযোগ্য যে, বিজেপি, অগপ আৰু কংগ্ৰেছে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। কাইলৈ আৰু পৰহিলৈ গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

কংগ্ৰেছেও কেইবাগৰাকী তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

আম আদমী পাৰ্টিয়েও কালি তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। আপৰ নেতা অৰবিন্দ কেজৰিৱাল, মনীষ চিচ'ডিয়া, ভগৱন্ত সিং মান, আটিশীকে ধৰি ৪০ জন তাৰকা প্ৰচাৰকে দলটোৰ হৈ ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

ৰাজ্যত আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত বিশেষ পদক্ষেপ লোৱা হৈছে। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ তত্বাৱধানত ভোটদানৰ হাৰ বৃদ্ধি আৰু নাগৰিকসকলৰ গণতান্ত্ৰিক মৌলিক অধিকাৰ তথা দায়িত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**ওদালগুৰি** জিলাত এনে কাৰ্যসূচীৰ অধীনত ওদাল নামৰ শুভংকৰ আৰু সুকীয়া ছুইপ বাহন মুকলি কৰা হৈছে। ইয়াৰ উপৰি জিলাখনৰ বিভিন্ন মহাবিদ্যালয় আৰু পূৰ্বৰ নিৰ্বাচনৰ ভোটদানৰ হাৰ কম হোৱা কেন্দ্ৰসমূহত

বিশেষকৈ যুৱ আৰু প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ওলোৱা ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ ব্যৱস্থা কৰা হৈছে।

**লখিমপুৰ** জিলাত অংগনৱাড়ী কৰ্মীসকলৰ সহযোগত মহিলা আৰু শিশু বিকাশ বিভাগে চুনাৱ পাঠশালা নামৰ বিশেষ সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে জ্যেষ্ঠ নাগৰিক, দিব্যাংগ ব্যক্তি আৰু মাতৃসকলৰ মাজত বিবেক ভোট সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে।

একেদৰে **মৰিগাঁও** জিলাতো চুনাৱ পাঠশালাৰ অধীনত বিশেষ উদ্দেশ্যত ছেল্‌ফি, ভোটদাতাৰ সমূহীয়া সংকল্প পাঠৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি চুটি বাটৰ নাটৰ জৰিয়তেও সজাগতা সৃষ্টি কৰা হৈছে। জিলাখনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ভোটদানৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যে আজি বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

**শিৱসাগৰ** জিলাত যুৱ ভোটদাতা তথা প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া ভোটদাতাসকলক উদ্দেশ্যি ছুইপ কাৰ্যসূচীৰ অধীনত ভালেমান সৃষ্টিশীল আৰু আকৰ্ষণীয় পদক্ষেপ লোৱা হৈছে। জিলাখনত কপৌফুল নামেৰে নিৰ্বাচনী শুভংকৰ মুকলি কৰা হৈছে।

**গোলাঘাট** জিলা নিৰ্বাচন বিভাগৰ অধীনত ছুইপ কোষৰ উদ্যোগত কালি দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভোটদান সন্দৰ্ভত সজাগতা বৃদ্ধি কৰি তেওঁলোকক নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰা হয়। কাৰ্যসূচীৰ অংশহিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

0000000

ৰাজ্যৰ বিধানসভা সমষ্টিসমূহৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ সমষ্টি হৈছে ধেমাজি বিধানসভা সমষ্টি। অহা ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে এইবাৰ ধেমাজি সমষ্টিৰ পৰা মুঠ ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। তেওঁলোক হৈছে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কংগ্ৰেছৰ শৈলেন সোণোৱাল, তৃণমূল কংগ্ৰেছৰ নৰেন্দ্ৰ কুমাৰ পাও, নিৰ্দলীয় প্ৰাৰ্থী বাবুল সোণোৱাল আৰু ভোটাৰ্ছ পাৰ্টীৰ ললিত পেগু। আটাইকেইগৰাকী প্ৰাৰ্থীৰে মনোনয়ন পত্ৰ ইতিমধ্যে বৈধ হিচাপে বিবেচিত হৈছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত বৰ্তমান ধেমাজি বিধানসভা সমষ্টিৰ পৰিসীমা কিছু হ্ৰাস পাইছে। পূৰ্বৰ প্ৰায় ১২ খন পঞ্চায়ত সমষ্টিটোৰ পৰা কৰ্তন হৈ নৱগঠিত চিচিবৰ গাঁও আৰু ঢকুৱাখনা সমষ্টিৰ সৈতে চামিল হোৱাত সমষ্টিটোত মুঠ ভোদদাতাৰ সংখ্যা ১ লাখ ৭৮ হাজাৰ ৭৫৪ জন হৈছে। ইয়াৰে ৮৮ হাজাৰ ৮০৬ জন পুৰুষ আৰু ৮৯ হাজাৰ ৯৪৮ গৰাকী মহিলা ভোটদাতা। ধেমাজি সমষ্টিত এইবাৰৰ নিৰ্বাচনত এটা আদৰ্শ ভোটকেন্দ্ৰ আৰু ৩০টা মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ থাকিব। একেৰাহে দুটা কাৰ্যকালৰ বাবে বিজেপিৰ দখলত থকা সমষ্টিটোত যোৱাবাৰৰ নিৰ্বাচনত ডাঃ ৰণোজ পেগুৱে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী চিত্তৰঞ্জন বসুমতাৰীক প্ৰায় ৩৩ হাজাৰ ভোটৰ ব্যৱধানত পৰাস্ত কৰিছিল। উল্লেখযোগ্য যে, ১৯৬৭ চনত অনুষ্ঠিত অসম বিধানসভাৰ চতুৰ্থটো সাধাৰণ নিৰ্বাচনত ধেমাজি বাসীয়ে এই সমষ্টিটো লাভ কৰিছিল। সমষ্টিটোৰ প্ৰথমগৰাকী বিধায়ক আছিল ৰমেশ মোহন কুলী। ১৯৮৫ৰ পৰা ২০০৬ চনলৈ প্ৰয়াত মন্ত্ৰী দিলীপ শইকীয়া সোণোৱালৰ দখলত থকা সমষ্টিটোত পাছত কংগ্ৰেছৰ বিধায়ক তথা মন্ত্ৰী সুমিত্ৰা দলে পাটিৰ দুটা কাৰ্যকালৰ বিধায়ক হৈছিল। পৰৱৰ্তী সময়ত প্ৰদান বৰুৱা

কম সময়ৰ বাবে বিধায়ক হয় যদিও পাছত ডাঃ ৰণোজ পেগুৱে দুটা কাৰ্যকালৰ বিধায়ক হয় আৰু এইবাৰো বিজেপি মিত্ৰজোঁটৰ পৰা নিৰ্বাচনত শক্তিশালী প্ৰাৰ্থী ৰূপে অৱতীৰ্ণ হৈছে।

ধেমাজিৰ পৰা আকাশবাণীৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাৰ সৈতে মই অৰূপ কুমাৰ শৰ্মা।

0000000

শিৱসাগৰ জিলাৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দিখৌ নদীৰ ওপৰত থকা গেমন দলং সোমাজতে ভাগি পৰাত ঘাইপথটোৰে সকলো ধৰণৰ যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে, দলংখনৰ মেৰামতিৰ কাম চলি থকা অৱস্থাতে এই ঘটনা সংঘটিত হয়। ১৯৬৩ চনত এই দলংখন নিৰ্মাণ কৰা হৈছিল।

0000000

আসন্ন নিৰ্বাচননিয়াৰীকৈ আৰু শান্তিপূৰ্ণভাৱেপৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসনে কাৰ্য্যকৰী ব্যৱস্থাগ্ৰহণ কৰিছে। ইয়াৰ লগতেনিৰ্বাচনৰ পৰিপ্ৰেক্ষিততনিয়োগ কৰা নিৰক্ষীণকাৰী দল আৰু ফ্লায়িংস্কোৱাডে অভিযান অব্যাহত ৰাখিছে।

ৰাজ্যৰ মুখ্য সচিব ডঃ ৰবি কোটাই কালি নগাঁও জিলাৰ সামগ্ৰিক নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। এই উদ্দেশ্যে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰি মুখ্য সচিবগৰাকীয়ে নিৰ্বাচন পৰিচালনাৰ সৈতে জড়িত বিভিন্ন কোষৰ কাৰ্যক্ষমতাৰ তন্নতন্ন পৰ্যালোচনা কৰে। পৰ্যালোচনা কালত তেওঁ নিৰ্বাচন প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ , নিকা আৰু নিৰপেক্ষভাৱে সম্পন্ন কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে প্ৰতিটো কোষৰ বিষয়া-কৰ্মচাৰীসকলক নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ কঠোৰ নিৰ্দেশনা প্ৰদান কৰে। বৈঠকত জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই পাৱাৰপইন্ট প্ৰেজেন্টেশ্যনৰ সহায়ত জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতিৰ সামগ্ৰিক ছবি দাঙি ধৰে। তেওঁ ভোটকেন্দ্ৰসমূহৰ আন্তঃগাঁথনি , ইভিএম আৰু ভিভিপেট মেচিনৰ সংৰক্ষণ তথা পৰীক্ষণ ,ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ আৰু ভোটাৰ সজাগতা বৃদ্ধিৰ বাবে হাতত লোৱা কাৰ্যসূচীসমূহৰ অগ্ৰগতিৰ বিষয়ে মুখ্য সচিবক অৱগত কৰে। নগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাসে নিৰ্বাচনকালীন সময়ত জিলাখনৰ আইন-শৃংখলা পৰিস্থিতি অটুট ৰখাৰ বাবে লোৱা ব্যৱস্থাৱলীৰ এক খতিয়ান দাঙি ধৰে।

ডিব্ৰুগড় জিলাৰ খোৱাং-ডিব্ৰুগড় আৰু চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্য্যবেক্ষক আদৰ্শ তিৱাৰীয়ে কালি সমষ্টি পৰিদৰ্শন কৰে। তেওঁ দলৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে নিৰ্বাচনী কাম-কাজ সমূহৰ বুজ লয়। নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাকৈ সম্পন্ন কৰাৰ স্বাৰ্থত তেওঁ সকলোকে নিষ্ঠা আৰু সততাৰে কাম কৰি যাবলৈ উৎসাহিত কৰে।

মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু বিশেষ শাখাৰ উপ-আৰক্ষী অধীক্ষকে কালি জিলাখনৰ বিভিন্ন ভোটকেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ পৰ্যালোচনা কৰাৰ উপৰি নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন হোৱাটো নিশ্চিত কৰে।

সমাগত নিৰ্বাচনৰ বাবে নিয়োজিত বিশেষ পৰ্যবেক্ষক মনজিৎ সিঙে কালি শিৱসাগৰ জিলাত নিৰ্বাচন সংক্ৰান্তীয় এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। শ্ৰীসিঙে বৈঠকত শিৱসাগৰ আৰু চৰাইদেউ জিলাত বিধানসভা নিৰ্বাচন সন্দৰ্ভত গ্ৰহণ কৰা সামগ্ৰিক প্ৰস্তুতিমূলক ব্যৱস্থাৰ বিষয়ে বিস্তৃতভাৱে বুজ লয়। এই বৈঠকত শিৱসাগৰ জিলাৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক এন টি এল ৰেড্ডি, ব্যয় পৰ্যবেক্ষক বি ব্ৰহ্মবিদ্যা, আৰক্ষী পৰ্যবেক্ষক প্ৰশান্ত বৰ্মা, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ আয়ুক্ত মৃদুল যাদৱ আৰু নেহা যাদৱকে ধৰি ভালেমান বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০০

ৰাজ্যত আই ভি এফ অৰ্থাৎ ভ্ৰূণ স্থানান্তৰৰ পদ্ধতিৰে প্ৰথমবাৰৰ বাবে গীৰ গাইৰ পোৱালি জন্ম দিয়া হৈছে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক, পশু প্ৰজনন আৰু প্ৰসূতি বিজ্ঞান বিভাগ তথা ৰাষ্ট্ৰীয় গকুল মিছনৰ আই ভি এফ পৰীক্ষাগাৰৰ নডেল বিষয়া ড° মনজ্যোতি ভূঞাৰ নেতৃত্বত মহাবিদ্যালয়খনৰ অধ্যাপকৰ এটা দলে ভ্ৰূণ স্থানান্তৰণ প্ৰযুক্তিৰ সফল প্ৰয়োগ কৰি ৰাজ্যখনৰ প্ৰথমটো গৰুৰ পোৱালি জন্ম দিয়াবলৈ সমৰ্থ হৈছে। এই সাফল্য সহায়ক প্ৰজনন প্ৰযুক্তিৰ প্ৰয়োগৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে বিবেচিত হৈছে। এই উদ্ভাৱনে ৰাজ্যত অনাগত দিনত উচ্চমানৰ দুগ্ধ উৎপাদন আৰু জিনগত উন্নয়নৰ ক্ষেত্ৰত বিশেষ সহায়ক হ'ব।

০০০০০০০

দেশৰ পেট্ৰ'লিয়াম আৰু ৰন্ধন গেছ যোগান সম্পূৰ্ণৰূপে নিৰাপদ আৰু নিয়ন্ত্ৰণত আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে পুনৰ প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে সদৰি কৰা মতে সকলো খুচুৰা বিপনীত পৰ্যাপ্ত পৰিমাণে ইন্ধন মজুত আছে আৰু দেশৰ কোনো ঠাইত পেট্ৰল, ডিজেল বা ৰন্ধন গেছৰ নাটনি হোৱা নাই। মন্ত্ৰালয়ে লগতে অযথা ত্ৰাস সৃষ্টিৰ উদ্দেশ্যপ্ৰণোদিতভাৱে বিয়পোৱা উৰা বাতৰিত পতিয়ণ নাযাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

হেঙেৰাবাৰীৰ জিলা আয়ুক্ত কাৰ্যালয়ত কালি আয়োজিত এখন জৰুৰী সংবাদমেলত আয়ুক্তগৰাকীয়ে ভৱিষ্যতেও জিলাখনত পেট্ৰ'ল আৰু ডিজেলৰ নাটনিৰ সম্ভাৱনা নাই বুলি মন্তব্য কৰে। শ্ৰীপালে কয়, যে ইণ্ডিয়ান অইল কৰ্প'ৰেচন লিমিটেডৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলত ৪৫ লাখ লিটাৰ পেট্ৰ'ল আৰু ৬৫ লাখ লিটাৰ ডিজেল মজুত আছে। একেদৰে এইচ পি চি এলৰ টাৰ্মিনেলতো ৪ লাখ লিটাৰ পেট্ৰ'ল আৰু ১৮ লাখ লিটাৰ ডিজেল মজুত আছে বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি বি পি চি এলৰ নুমলীগড়ৰৰ টাৰ্মিনেলত ২৫ লাখ লিটাৰ পেট্ৰ'ল আৰু ডেৰ কোটিৰো অধিক লিটাৰ ডিজেল মজুত আছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই টাৰ্মিনেলসমূহৰ পৰা তেল ডিপ'সমূহলৈ নিয়মীয়াকৈ পেট্ৰ'ল আৰু ডিজেল যোগান ধৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে জনসাধাৰণক ভীতিগ্ৰস্ত নহ'বলৈ আহ্বান জনায়।

**বাইট (স্বপ্নীল পাল)**

০০০০০০০

ছত্তিশগড়ত চলি থকা খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া মহোৎসৱৰ কালি দ্বিতীয় দিনা সাঁতোৰ, ভাৰোত্তোলন, হকী আৰু ফুটবলৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। ভাৰোত্তোলনত অসমৰ মনিখা সোণোৱালে

৪৮ কিলোগ্ৰাম ওজন শাখাত সোনৰ পদক লাভ কৰাৰ বিপৰীতে মিজোৰামৰ ইছাক মলছাৱমতলুৱাংগাই ৬০ কিলোগ্ৰাম ওজন শাখাত সোনৰ পদক অৰ্জন কৰে।

কৰ্ণাটক সম্প্ৰতি ৮টা সোন, ৩টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাৰ শীৰ্ষত আছে। ওড়িশাই ৫টা সোন, এটা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদকেৰে দ্বিতীয় স্থানত আছে।

০০০০০

## ***News Paper Review***

**ৰাজ্যৰ নিৰ্বাচনী প্ৰচাৰকেন্দ্ৰিক পৰিৱেশ, বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা, পৰ্যাপ্ত ইন্ধন মজুত থকা বুলি কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰো আশ্বাসকে ধৰি বিভিন্ন খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।**

**ইয়াৰে বিধানসভা নিৰ্বাচনকেন্দ্ৰিক বাতৰিসমূহেই প্ৰায় প্ৰতিখন কাকতৰেই প্ৰথম পৃষ্ঠাত আগস্থান লাভ কৰা পৰিলক্ষিত হৈছে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযানৰপৰা বিভিন্ন দলৰ নেতাৰ মৌখিক আক্ৰমণ-প্ৰত্যাক্ৰমণৰ খবৰ ইয়াৰ অন্যতম।**

**এইসমূহৰ মাজতে কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিমটো দিনত ৰাজ্যৰ ৬৭গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰা তথা ইয়াৰ ফলত ৭২২গৰাকী প্ৰাৰ্থী আসন্ন নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হোৱাৰ বাতৰিটো ভিন ভিন শিৰোনামেৰে - দৈনিক অগ্ৰদূত, আমাৰ অসমকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমীয়া প্ৰতিদিন কাকতে অসমত প্ৰচাৰ চলাবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভ্ৰমণ সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫খন ৰাজ্যত ফ্লায়িং স্কোৱাডৰ অভিযান সম্পৰ্কীয় বাতৰি এটা দৈনিক জনমভূমিৰ লগতে কেইবাখনো কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।**

**পৰ্যাপ্ত ইন্ধন মজুত থকাৰ পৰিপ্ৰেক্ষিতত ইন্ধনৰ নাটনিকলৈ দেশবাসীয়ে আতংকিত হোৱা নিষ্প্ৰয়োজন বুলি চৰকাৰে আশ্বাস দিয়াৰ বাতৰিটোকো আজি কাকতসমূহে বিশেষ প্ৰাধন্য দিছে। এই সংক্ৰান্তীয় বাতৰিৰ দৈনিক জনমভূমি কাকতৰ শিৰোনাম "ৰাজ্যজুৰি শংকা-অনিশ্চয়তাৰ মাজতে ৰাজ্য চৰকাৰৰ ঘোষণা - অসমত ইন্ধন নাটনিৰ প্ৰশ্নই নুঠে"। কাকতখনে লগতে হৰমুজ প্ৰণালীৰে ভাৰতসহ ৫খন দেশৰ জাহাজ চলাচলত ইৰানে অনুমতি দিয়াৰ এটা বাতৰিও প্ৰকাশ কৰিছে,** যি বাতৰি একেই শৈলীত The Assam Tribune **কাকতেও** INDIA GRANTED PASSAGE THROUGH STRAIT OF HORMUZ BY TEHRAN**শিৰোনামেৰে প্ৰকাশ কৰিছে। ইন্ধনৰ মজুতকৰণ সন্দৰ্ভত একোটা বাতৰিৰ অসমীয়া খবৰৰ শিৰোনাম - দেশত ৬০দিন চলিব পৰাকৈ আছে ইন্ধন।** The Sentinel **কাকতৰ শিৰোনাম -** No Fuel Shortage in Assam। **ইন্ধনৰ নাটনিৰ উৰাবাতৰি বিয়পোৱা চক্ৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ ৰাজ্য চৰকাৰে সকীয়নি দিয়াৰ এটাৰ খবৰ নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।**

এতিয়া আহক, আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বিজুলি-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**